# MIND SPORTS FOUNDATION

Regd. No. : KAM (M)/263/B/471 of 2012-13
Email : mindaportsfoundation@gmail.com

President
**H. P. Talukdar**
Ph : (+91) 9435343202
E-mail : yogabidhp@gmail.co

General Secretary
**Nayan Kumar Dutta**
Ph. (+91) 9435400207
Email: nayankdutta@gmail.com


## ছাৰ্ভো চেলেঞ্জ সপ্তম ৰক্তাভ দত্ত চৌধুৰী সোঁৰৰণী উত্তৰ-পূব ভাৰত আন্তঃবিদ্যালয় দবা প্ৰতিযোগিতাৰ সামৰণি

**গুৱাহাটী, ১৮ জুলাই, ২০১৮, বুধবাৰ** : অসম জাতীয় বিদ্যালয়ত যোৱা ১৪-১৭ জুলাইলৈ অনুষ্ঠিত হোৱা ছাৰ্ভো চেলেঞ্জ সপ্তম ৰক্তাভ দত্ত চৌধুৰী সোঁৰৰণী উত্তৰ-পূব ভাৰত আন্তঃবিদ্যালয় দবা প্ৰতিযোগিতাখনিৰ সফল সামৰণি হয়। প্ৰতিযোগিতাখনিত মাৰিয়াজ পাব্লিক স্কুলৰ আৰোহণ ভৰদ্বাজে চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰে। দ্বিতীয় স্থান দখল কৰে চাহিল দে, মাৰিয়াজ পাব্লিক স্কুল, তৃতীয় ময়ংক চক্ৰৱৰ্তী, ছাউথ পইণ্ট স্কুল, চতুৰ্থ আৰোহন শইকীয়া ছল্ট ব্ৰুক স্কুল, ডিব্ৰুগড়, পঞ্চম অৰ্কপ্ৰভা ৰাজকোঁৱৰ, ছাই বিকাশ, গণেশগুৰি, ষষ্ঠ মৃন্ময় ৰাজখোৱা, সুদৰ্শন পাব্লিক স্কুল, গুৱাহাটী, সপ্তম মহাৰ্ণৱ ডেকা, মহৰ্ষি বিদ্যামন্দিৰ, শিলপুখুৰী, অষ্টম প্ৰাণগোবিন্দ পৰাশৰ কাশ্যপ, ইণ্টাৰনেশ্যনেল স্কুল, গুৱাহাটী, নৱম দেবাংগ কলিতা, গুৰুকুল গ্ৰামাৰ স্কুল, গুৱাহাটী, দশম দত্ত চমৰিতান, মহৰ্ষি বিদ্যামন্দিৰ, যোৰহাট। ইয়াৰ লগতে শ্ৰেষ্ঠ স্কুলৰ প্ৰথম স্থান লাভ কৰে মাৰিয়াজ পাব্লিক স্কুল, গুৱাহাটী, দ্বিতীয় স্থান লাভ কৰে সৰলা বিৰলা জ্ঞানজ্যোতি, গুৱাহাটী তথা উদ্‌গণিমূলক বঁটা লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটী। লগতে পণ, নাইট, কুইন শাখাৰ শীৰ্ষ পাঁচগৰাকীকৈ খেলুৱৈক বঁটা প্ৰদান কৰাৰ লগতে প্ৰত্যেক গ্ৰুপৰে শীৰ্ষ তিনিগৰাকীকৈ ছোৱালী খেলুৱৈকো বঁটা প্ৰদান কৰা হয়।

বঁটা বিতৰণী অনুষ্ঠানত অসমৰ এসময়ৰ প্ৰসিদ্ধ ফুটবল খেলুৱৈ গিলবাৰ্টচন চাংমাক মাইণ্ড স্পৰ্টছ ফাউণ্ডেছন আৰু অসম জাতীয় বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকি প্ৰাক্তন প্ৰশাসনিক বিষয়া লক্ষীনাথ তামুলী, বিশিষ্টা অভিনেত্ৰী গীতাৱলী ৰাজকুমাৰী, ৰঞ্জিত নাৰায়ণ ডেকা, ৰেক্টৰ, অসম জাতীয় বিদ্যালয়, ডাº নাৰায়ণ শৰ্মা, সচিব, অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি, দিলীপ কুমাৰ দত্ত চৌধুৰী, সভাপতি/কোষাধ্যক্ষ, অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতি, লগতে হৰিপ্ৰসাদ তালুকদাৰ, সভাপতি, নয়ন কুমাৰ দত্ত, সম্পাদক, হৃদয়ানন্দ শৰ্মা, কোষাধ্যক্ষ, অনুপ কুমাৰ পাঠক, প্ৰণৱ কুমাৰ দাস, সঞ্জীৱ বেজে মাইণ্ড স্পৰ্টছ ফাউণ্ডেচনৰ হৈ বঁটা বঁটাসমূহ বিতৰণ কৰে।

প্ৰতিযোগিতাখনিত ১২৬ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখনি পৰিচালনা কৰে আৰ্বিটাৰ স্বৰাজ বৰগোহাঁই, মণিমালা সিন্‌হা তথা কাৰিকৰী দিশত সহায় কৰে প্ৰণৱ কুমাৰ নাথে।

(নয়ন কুমাৰ দত্ত)
সাধাৰণ সম্পাদক
মাইণ্ড স্পৰ্টছ ফাউণ্ডেছন